**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 16-12-2025** **Time : 1205 Hrs**

***Assamese Midday Bulletin***

----------------------------

## *Headlines*

১। জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ অভিযোগনামা দাখিলৰ পাছত আজি প্ৰথম শুনানি। চি জে এম আদালতত সাতগৰাকী অভিযুক্তৰ ভাৰ্চুৱেল শুনানি।

২। লামডিং সমষ্টিৰ ২৫ হাজাৰতকৈও অধিক মহিলা হিতাধিকাৰীক আজি মুখ্যমন্ত্ৰীৰ উদ্যমিতা আঁচনিৰ চেক বিতৰণ।

৩। নগাঁৱৰ ধিঙত ৩ হাজাৰ ৪৭১ বিঘা ভূমিত প্ৰশাসনৰ উচ্ছেদ অভিযান অব্যাহত।

আৰু

৪। ৰাজ্যৰ বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ অনুপস্থিতি হ্ৰাস কৰাৰ বাবে সৰ্বশিক্ষা অভিযানৰ স্বয়ংক্ৰিয় SMS সতৰ্কতা ব্যৱস্থা মুকলি।

০০০০০০০

কামৰূপ মহানগৰ জিলাৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত আজি জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ অভিযোগনামা দাখিলৰ পাছত প্ৰথমটো শুনানি গ্ৰহণ কৰা হ'ব। অভিযুক্ত পক্ষক অভিযোগনামাৰ প্ৰতিলিপি প্ৰদানৰ বাবে এছ্ আই টিৰ দল বাক্সা আৰু হাফলঙলৈ ৰাওনা হৈছে। এই প্ৰতিলিপি তেওঁলোকে লাভ কৰাৰ পাছতেই সাতোগৰাকী অভিযুক্তক আজি আদালতত ভাৰ্চুৱেলী হাজিৰ কৰোৱা হ'ব। উল্লেখযোগ্য যে আদালতে এই গোচৰৰ অভিযোগনামা গ্ৰহণ কৰি অভিযুক্তকেইজনক সৌঁশৰীৰে আদালতত হাজিৰ কৰোৱাৰ নিৰ্দেশ দিছিল যদিও আইন শৃংখলাজনিত পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত তেওঁলোকক তেনেদৰে হাজিৰ কৰোৱাত অসুবিধা আছে বুলি অসম আৰক্ষীয়ে আদালতত লিখিতভাৱে প্ৰকাশ কৰে। অভিযুক্তকেইজনক ভাৰ্চুৱেলী আদালতত হাজিৰ কৰোৱাৰ অনুমতি বিচাৰি আৰক্ষীয়ে আবেদন দাখিল কৰে। এই মৰ্মে তেওঁলোকক আজি ভাৰ্চুৱেলী হাজিৰ কৰোৱা হ'ব। চৰকাৰী পক্ষৰ অধিবক্তা প্ৰদীপ কোঁৱৰে প্ৰকাশ কৰা মতে আজি অভিযুক্তসকলৰ মতামত গ্ৰহণ নকৰে বৰং স্বাস্থ্যজনিত দিশবোৰ নিৰীক্ষণ কৰিব। তেওঁলোকক আদালতত হাজিৰ কৰোৱাৰ পৰৱৰ্তী তাৰিখো আজি নিৰ্ধাৰণ কৰা হ'ব বুলি তেওঁ জানিবলৈ দিয়ে। ইতিমধ্যে কামৰূপ মহানগৰ জিলাৰ আইন সেৱা প্ৰাধিকাৰীয়ে অভিযুক্তসকলৰ বাবে এজন অধিবক্তা নিযুক্তি দিছে যদিও তেওঁ শুনানিত অংশ ল'ব নে নাই সেয়া নিশ্চিত হোৱা নাই।

উল্লেখযোগ্য যে আদালতৰ নিয়ম অনুসৰি প্ৰথমটো শুনানিৰ পূৰ্বে আটাইকেইগৰাকী অভিযুক্তক আদালতত অভিযোগনামাৰ প্ৰতিলিপি দিয়া হয়। বাক্সাৰ নিকাছী কাৰাগাৰত জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ মূল অভিযুক্ত সিদ্ধাৰ্থ শৰ্মা, শ্যামকানু মহন্ত, সন্দীপন গাৰ্গৰ লগতে পৰেশ বৈশ্য আৰু নন্দেশ্বৰ বৈশ্যক ৰখা হৈছে। আনহাতে, আন দুজন অভিযুক্ত শেখৰজ্যোতি গোস্বামী আৰু অমৃতপ্ৰভা মহন্ত হাফলঙৰ কাৰাগাৰত আছে।

০০০০০০০০

মহিলা উদ্যমিতা আঁচনিৰ অধীনত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি লামডিং সমষ্টিৰ ২৫ হাজাৰতকৈও অধিক মহিলা হিতাধিকাৰীক ১০ হাজাৰ টকাৰ চেক বিতৰণ কৰিছে। হোজাইৰ শ্ৰীমন্ত শংকৰদেৱ নগৰৰ খেলপথাৰত এই কাৰ্যসূচী অনুষ্ঠিত হৈছে। চেক বিতৰণ কৰি দিয়া ভাষণত মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে ৰাজ্যৰ ৩৫ লাখ মহিলাক উদ্যমিতা আঁচনিৰ অধীনত প্ৰথম কিস্তিৰ ১০ হাজাৰ টকাৰ চেক বিতৰণৰ বাবে চৰকাৰে লক্ষ্য নিৰ্ধাৰণ কৰিছে। তেওঁ চৰকাৰে দিয়া এই ধনৰ সদ্ব্যৱহাৰ কৰিবলৈ মহিলাসকলক আহ্বান জনায়। ড° শৰ্মাই কয়, যে যিসকল মহিলাই এই আঁচনিৰ প্ৰথম কিস্তিৰ ধন স্বাৱলম্বিতাৰ ক্ষেত্ৰত খৰচ নকৰি আন কিবা শিতানত খৰচ কৰে, সেইসকল মহিলাক এই আঁচনিৰ পৰৱৰ্তী কিস্তিৰ পৰা আঁতৰত ৰখা হ'ব। উদ্যমিতা আঁচনিৰ তৃতীয় কিস্তিত ৫০ হাজাৰ টকা পৰ্যন্ত দিয়া হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে। তেওঁ কয়, যে ৩৫ লাখ মহিলাক ১০ হাজাৰ টকাকৈ দিয়াৰ বাবদ চৰকাৰৰ ৩ হাজাৰ ২০০ কোটি টকা ব্যয় হ'ব।

মহিলাসকলক অধিকাৰ দিয়া আৰু তেওঁলোকৰ জৰিয়তে সমাজক শক্তিশালী কৰি গঢ়ি তোলাই এই আঁচনিৰ লক্ষ্য বুলি ড° শৰ্মাই উল্লেখ কৰে।

০০০০০০০

———নগাঁও জিলাৰ ধিং ৰাজহ চক্ৰৰ ৩ হাজাৰ ৪৭১ বিঘা ভূমিত আজি পুৱাৰেপৰা প্ৰশাসনে উচ্ছেদ অভিযান চলাইছে। অহা ২০ ডিচেম্বৰলৈ চলিবলগীয়া এই অভিযানৰ বাবে তিনি শতাধিক আৰক্ষী-জোৱান নিয়োগ কৰা হৈছে। প্ৰশাসনৰ সূত্ৰই প্ৰকাশ কৰা মতে এই চৰকাৰী ভূমি দখল কৰি একাংশ লোকে মীন পালনৰ বাবে পুখুৰী খননৰ ব্যৱস্থা কৰিছিল। প্ৰশাসনে জাননী জাৰি কৰি অঞ্চলটো দখলমুক্ত কৰাৰ বাবে আজি উচ্ছেদ অভিযান আৰম্ভ কৰে। এই অনুসৰি অঞ্চলটোৰ শালনাবাৰী, ভেৰভেৰী বিল, টুকটুকী, আহোম গাঁও, কটহগুৰি আৰু ৰৌমাৰী বিলত উচ্ছেদ চলোৱা হ'ব বুলি প্ৰশাসনৰ সূত্ৰই প্ৰকাশ কৰিছে।

০০০০০০০০

ৰাজ্যৰ বিভিন্ন বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ অনুপস্থিতি হ্ৰাস কৰাৰ বাবে সৰ্বশিক্ষা অভিযানে স্বয়ংক্ৰিয় SMS সতৰ্কতা ব্যৱস্থা আৰম্ভ কৰিছে। বিদ্যালয়ত অনুপস্থিত থকা ছাত্ৰ-ছাত্ৰীসকলক বিদ্যালয়লৈ ঘূৰাই অনাৰ বাবে সৰ্বশিক্ষা অভিযানে এই পদক্ষেপ লৈছে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি আনুষ্ঠানিকভাৱে এই স্বয়ংক্ৰিয় SMS সতৰ্কতা ব্যৱস্থা মুকলি কৰে। এই ব্যৱস্থাৰ জৰিয়তে একেৰাহে পাঁচদিন ধৰি বিদ্যালয়ত উপস্থিত নথকা ছাত্ৰ-ছাত্ৰীসকলৰ অভিভাৱকলৈ বিশেষ বাৰ্তা প্ৰেৰণ কৰা হ'ব। এই সতৰ্কবাণীসমূহ নিৰ্দিষ্ট পাঁচদিনৰ ব্যৱধানত স্বয়ংক্ৰিয়ভাৱে সৃষ্টি কৰা হ'ব আৰু বিদ্যালয়ত উপস্থিত নথকা ছাত্ৰ বা ছাত্ৰীগৰাকী পুনৰ বিদ্যালয়ত উপস্থিত নোহোৱা পৰ্যন্ত চলি থাকিব। এই মেছেজসমূহ একেলগে দুজন মূল অংশীদাৰলৈ প্ৰেৰণ কৰা হ'ব। বিদ্যালয়ৰ শ্ৰেণী শিক্ষকসকলে সংশ্লিষ্ট শিক্ষাৰ্থীৰ নাম, শ্ৰেণী আদি স্পষ্টভাৱে উল্লেখ থকা বাৰ্তা লাভ কৰিব। ইয়াৰ জৰিয়তে তেওঁলোকে ছাত্ৰ-ছাত্ৰীসকলক বিদ্যালয়লৈ ঘূৰাই আনিবলৈ অভিভাৱকৰ সৈতে যোগাযোগ কৰিব পাৰিব। অভিভাৱকসকলে তেওঁলোকৰ সন্তানৰ অনুপস্থিতি সন্দৰ্ভত প্ৰত্যক্ষ বা পৰোক্ষভাৱে সংক্ষিপ্ত বাৰ্তা বাৰে বাৰে লাভ কৰি থাকিব। এই বাৰ্তাসমূহ অসমীয়া, বাংলা, বড়ো, হিন্দী আৰু ইংৰাজীত প্ৰেৰণ কৰা হ'ব।

০০০০০০০

মাজুলীৰ শ্ৰীশ্ৰী এলেঙী বাঁহজেঙনী সত্ৰৰ পৃষ্ঠপোষকতাত কালি মাজুলীৰ পাঁচগৰাকী সত্ৰীয়া সংস্কৃতিৰ প্ৰচাৰক, প্ৰসাৰক আৰু শিল্পীক নাটমল্লাৰ বঁটা, ২০২৫ প্ৰদান কৰা হয়। নাটমল্লাৰঃ সত্ৰীয়া সংস্কৃতিৰ কলাকেন্দ্ৰৰ প্ৰথম বৰ্ষপূৰ্তি উপলক্ষে সত্ৰীয়া সংস্কৃতিৰ প্ৰচাৰ, প্ৰসাৰ আৰু পদ্ধতিগতভাৱে চৰ্চা কৰি থকা সত্ৰীয়া সংস্কৃতিৰ লগত একনিষ্ঠভাৱে জড়িত ব্যক্তিসকলৰ জীৱনজোৱা সাধনাৰ চিনস্বৰূপে এই বঁটা প্ৰদান কৰা হয়। প্ৰথমবাৰৰ বাবে প্ৰদান কৰা এই বঁটা চন্দ্ৰকান্ত দাস, দীপক দেউৰী, পোনা ৰাজখোৱা বায়ন, সঞ্জীৱ পেগুলৈ আগবঢ়োৱা হৈছে। সংবাদ জগতলৈ আগবঢ়োৱা সেৱাৰ বাবে তীৰ্থ ভূঞা আৰু প্ৰাঞ্জল খাউণ্ডক সাংবাদিকতা বঁটা, ২০২৫ প্ৰদান কৰা হয়। এই বঁটা প্ৰদান অনুষ্ঠানৰ লগতে 'মাজুলীলৈ যাতায়াত ব্যৱস্থাৰ ক্ৰমাগত উন্নয়ন আৰু মাজুলীৰ সত্ৰীয়া সংস্কৃতিৰ ওপৰত ইয়াৰ প্ৰভাৱ' শীৰ্ষক এখন আলোচনাচক্ৰ অনুষ্ঠিত হয়। নাটমল্লাৰঃ সত্ৰীয়া সংস্কৃতিৰ কলাকেন্দ্ৰৰ এগৰাকী সদস্যই এই অনুষ্ঠান সন্দৰ্ভত এইদৰে কয় –

বাইট

০০০০০০০

ডিব্ৰুগড় পৌৰ নিগমৰ প্ৰেক্ষাগৃহত কালি APDCL ৰ বিষয়া, পৌৰনিগমৰ পাৰিষদ, পৌৰ সখী আৰু APDCLৰ পঞ্জীয়নকৃত ভেণ্ডৰসকলৰ সৈতে প্ৰধানমন্ত্ৰী সূৰ্য ঘৰ আঁচনি সন্দৰ্ভত এখন পৰ্যালোচনা আৰু সজাগতা সভা অনুষ্ঠিত হয়। পৌৰ নিগমৰ অন্তৰ্গত অঞ্চলসমূহৰ বাসিন্দাসকলক এই আঁচনিৰ দ্বাৰা উপকৃত কৰাৰ বাবে সভাত আলোচনা কৰা হয়। এই সভাত মেয়ৰ ডাঃ সৈকত পাত্ৰ, উপ-মেয়ৰ উজ্জ্বল ফুকন আৰু কাৰ্যবাহী বিষয়া প্ৰয়াসী গৌতমৰ লগতে APDCL ৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

০০০০০০০

সমগ্ৰ দেশে আজি ১৯৭১ চনত পাকিস্তানৰ বিৰুদ্ধে হোৱা যুঁজত ভাৰতৰ জয়ৰ স্মৃতিত বিজয় দিৱস উদযাপন কৰিছে। প্ৰতিবছৰে আজিৰ দিনটোত বীৰ ছহিদসকলৰ সৰ্বোচ্চ ত্যাগৰ কাহিনীক স্মৰণ কৰি শ্ৰদ্ধা নিবেদন কৰা হয়। আজিৰ

দিনটোতে ১৯৭১ চনত পাকিস্তানী সেনা বাহিনীৰ মুৰববী জেনেৰেল এ এ খান নিয়াজিয়ে ৯৩ হাজাৰ সেনাবাহিনীৰ সৈতে ভাৰতীয় সেনাৰ সন্মুখত বিনা চৰ্তে আত্মসমৰ্পণ কৰিছিল। এই যুদ্ধৰ সমাপ্তিত পূব পাকিস্তানৰ পৰিৱৰ্তে বাংলাদেশ হিচাপে এখন নতুন ৰাষ্ট্ৰ গঠন হৈছিল। বিজয় দিৱস উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ১৯৭১ চনৰ যুদ্ধত প্ৰাণ হেৰুওৱা ভাৰতীয় বীৰ জোৱানসকলৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰিছে। কলকাতাৰ ফৰ্ট উইলিয়ামত থকা সেনাবাহিনী ইষ্টাৰ্ণ কামাণ্ডৰ মুখ্য কাৰ্যালয়ত বিজয় দিৱসৰ বিশেষ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।

০০০০০০০

অসম MASTER GAMES সন্থাৰ উদ্যোগত নগাঁও নুৰুল আমিন ষ্টেডিয়ামত যোৱা ১২ৰ পৰা ১৪ ডিচেম্বৰলৈ অনুষ্ঠিত সপ্তম সদৌ অসম MASTER GAMES প্ৰতিযোগিতাত ধেমাজি জিলাৰ ১৫ গৰাকী প্ৰতিযোগীয়ে অংশ লৈ স্থান অৰ্জন কৰিছে। এই প্ৰতিযোগিতাত জিলাখনৰ দলটো শ্ৰেষ্ঠ যোগাসন দল হিচাপে বিবেচিত হয়।

০০০০০০০

**সমাপ্ত**